অধ্যায় ১ ঃ অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 গদ্য ঃ অৱধাৰণা

1.4 অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ

1.4.1 অসমীয়া মন্ত্ৰ সাহিত্যৰ গদ্য

1.4.2 অঙ্কীয়া নাটৰ গদ্য

1.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1.6 অধিক জানিবলৈ

1.7 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

1.8 আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গদ্যৰ ব্যুৎপত্তি, স্বৰূপ, সংজ্ঞা আৰু শ্ৰেণীবিভাজন সম্পৰ্কে ধাৰণা কৰিব পাৰিব
- অসমীয়া গদ্য-সাহিত্যৰ ইতিহাস সম্বন্ধে অৱগত হ'ব পাৰিব
- অসমীয়া গদ্য-সাহিত্যৰ আৰম্ভণিৰ কালছোৱাৰ বিষয়ে জানিব পাৰিব
- অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশত গদ্য-সাহিত্যৰ অৱস্থান সম্পৰ্কে ধাৰণা কৰিব পাৰিব
- অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক অৱস্থাৰ মন্ত্ৰপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ বিষয়ে আৱশ্যকীয় আলোচনা আগবঢ়াব পাৰিব
- শঙ্কৰদেৱ প্ৰৱৰ্তিত অঙ্কীয়া নাটৰ গদ্যৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব
- মন্ত্ৰপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ বিষয়ে তুলনামূলক আলোচনা কৰিব পাৰিব
- অঙ্কীয়া নাটৰ গদ্যই অসমীয়া গদ্য-সাহিত্যৰ সৃষ্টিত কি ধৰণে অৱদান আগবঢ়াইছিল সেই বিষয়ে আলোকপাত কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তৰ্গত ঐচ্ছিক পাঠ্যবিষয়ৰ 'অসমীয়া গদ্য সাহিত্য' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো প্ৰথম অধ্যায়। 'অসমীয়া গদ্য' এই অভিধাটোৱে আমাৰ অসম নামৰ ৰাজ্যখনত প্ৰচলিত ভাৰতীয় আৰ্য্য ভাষা সম্ভূত নব্য ভাৰতীয় আৰ্য্য ভাষাটোৰ প্ৰাৰম্ভিক

সময়ৰ পৰা বৰ্তমান সময়লৈ ভাব প্ৰকাশৰ মাধ্যম ৰূপে আৰু লেখা-মেলাৰ বাবে ব্যৱহৃত হৈ অহা ভাষিক ৰূপ বিশেষক বুজায়। আপোনাৰ অধ্যয়নৰ অন্তৰ্গত এই পাঠটিৰ শিৰোনাম হৈছে 'অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ'।আপুনি নিশ্চয় বুজিব পাৰিছে যে, এই পাঠটিত অসমীয়া গদ্যৰ আৰম্ভণিৰ সময়ছোৱাৰ এক আলচ দাঙি ধৰা হ'ব। অসমীয়া কাব্যৰ লেখীয়াকৈ গদ্যৰো এক ঐতিহ্যময় আৰু গৌৰৱশালী পুৰণি ইতিহাস আছে। এই প্ৰাচীনতাৰ উৎস সন্ধান কৰি অসমীয়া গদ্যৰ উদ্ভৱকালীন অৱস্থাৰ স্বৰূপ নিৰ্ণয়েই আলোচ্য পাঠটিৰ মূল প্ৰতিপাদ্য বিষয় হিচাপে উপস্থাপিত হ'ব। লগতে প্ৰাসঙ্গিকভাৱে গদ্যৰ স্বৰূপ সম্বন্ধেও সাধাৰণ আভাস দাঙি ধৰা হ'ব। 'অসমীয়া গদ্য' —এই নামটো আপেক্ষিকভাৱে অসমীয়া ভাষাটোৰ কথাৰূপৰ সৰ্বস্তৰৰ পৰিচয়বাহক, ই আৰম্ভণি কালৰ পৰা সাম্প্ৰতিক সময়লৈকে সকলো যুগৰ ভাষিক ৰূপটোৰ চিনাকি বহন কৰে। উদাহৰণ স্বৰূপে, ইয়াৰ প্ৰাৰম্ভিক স্তৰ, মধ্যস্তৰ, আধুনিক স্তৰ, সাম্প্ৰতিক স্তৰ প্ৰভৃতিৰ কথা উল্লেখ কৰিব পাৰি। এইবোৰৰ ভিতৰত এই পাঠটোত অসমীয়া গদ্যৰ উন্মেষ কালৰ বিকাশৰ ধাৰাৰ বিষয়েহে মাত্ৰ আলোচনা কৰা হ'ব।

১.৩ গদ্য ঃ অৱধাৰণা

ব্যুৎপত্তিমূলক অৰ্থত গদ্য শব্দটোৰ উক্তিক বুজায় (গদ্— উক্তিকৰণ য়ৎ Ô গদ্য)। গদ্য মানৱৰ ভাব, অনুভূতি, চিন্তন আৰু মনন প্ৰকাশৰ এক শক্তিশালী মাধ্যম।পদ্য বা কবিতাৰ সহায়তো মানৱে এনেবোৰ অন্তৰবৃত্তি প্ৰকাশক্ষম কৰিব পাৰে; সেই অৰ্থত কাব্য আৰু গদ্য উভয়বিধেই মানৱ সংস্কৃতিৰ অপৰিহাৰ্য উপাদান। তথাপি কবিতা আৰু গদ্যৰ মাজত বিস্তৰ পাৰ্থক্য লক্ষ্য কৰা যায়। এনে পাৰ্থক্য আৱয়বিক আৰু উপাদানগত দিশত হ'ব পাৰে, অথবা ভাব প্ৰকাশৰ মাধ্যম ৰূপে ইয়াৰ ব্যৱহাৰিক উপযোগিতাৰ ক্ষেত্ৰতো হ'ব পাৰে। মুঠতে কাব্য আৰু গদ্যৰ অমিল কেৱল আকৃতিগতই নহয়, বহু ক্ষেত্ৰত কিন্তু প্ৰকৃতিগতহে।

গদ্যৰ সংজ্ঞাগত ধাৰণা আৰু স্বৰূপ উপলব্ধিত সমালোচকসকলে মূলতঃ কবিতা আৰু গদ্যৰ মাজৰ পাৰ্থক্যখিনিকেই সাৰথি কৰি আলোচনাত প্ৰবৃত্ত হোৱা দেখা যায়। সাধাৰণ অৰ্থত কবিতা হ'ল এবিধ ছন্দোবদ্ধ ৰচনা। পাশ্চাত্যত ইয়াৰ এটি সংজ্ঞা এনেদৰে দিয়া হৈছে— 'Poetry is a metrical composition'। ছন্দনিয়ন্ত্ৰিত হোৱা হেতুকে কবিতা বা কাব্যই মানুহৰ চিন্তা-ঐশ্বৰ্যক লীলায়িত গতিত ভাব লহৰৰ নিয়মিত মাত্ৰাত স্বনিৰ্বাচিত শব্দৰ সহায়ক প্ৰকাশক্ষম কৰি তুলি পাঠকৰ বা শ্ৰোতাৰ হৃদয়তন্ত্ৰীত হিল্লোলৰ সৃষ্টি কৰে। গদ্যৰ সহায়তো মানৱ চিন্তনৰ ভাষিক অভিব্যক্তি ঘটে, মাত্ৰ ই কাব্য বা কবিতাৰ অনুৰূপে আক্ষৰিক অৰ্থত ছন্দোবদ্ধ আৰু মাত্ৰাযুক্ত নহয়।

সংস্কৃত আলঙ্কাৰিকসকলে গদ্যক সংঘবদ্ধ কৰিবলৈ লৈ ইয়াক কাব্যৰ বিপৰীতধৰ্মী ৰূপ বুলি বৰ্ণনা কৰিছে।আলঙ্কাৰিক বিশ্বনাথে তেওঁৰ *সাহিত্য দৰ্পন*নামৰ আলঙ্কাৰশাস্ত্ৰৰ পুথিখনত গদ্যক 'বৃত্তবন্ধোজ্ঝিতং' বুলি অভিহিত কৰিছে। ঠিক একেদৰে, অলঙ্কাৰিক দণ্ডীয়েও তেওঁৰ 'কাব্যাদৰ্শ'ত গদ্য ৰচনাক 'অপাদপদ সন্তানো', অৰ্থাৎ ছন্দবিহীন পদৰাশিৰ বিস্তাৰিত প্ৰয়োগ বুলি মন্তব্য কৰিছে। অভিধানতো গদ্যৰ অৰ্থ দিবলৈ গৈ অভিধানকাৰসকলে এনে ব্যাখ্যাময়

শব্দাৰ্থকে প্ৰয়োগ কৰিছে। *চন্দ্ৰকান্ত অভিধানত* গদ্যক 'ছন্দেৰে নিলিখা ভাষা; কথা কোৱাৰ ভাষাৰে লিখা ৰচনা', *হেমকোষত* 'ছন্দ নথকা ৰচনা; শিল, ধাতু বা কাঠৰ বস্তুৰ ওপৰত আখৰ কাটি লেখা, সেই বস্তুৰ নিৰ্মাণকৰ্তা আৰু তাৰ প্ৰয়োজন আদিৰ কথা'; *শৰাইঘাট অভিধানত* 'ছন্দ নথকা ৰচনা', *সামগ্ৰিক অসমীয়া শব্দকোষত* 'ছন্দ নথকা কথা বা ৰচনা' বুলি অৰ্থ দিছে।

গদ্য শব্দৰ ইংৰাজী 'Prose'। ইংৰাজী অভিধানত এই শব্দটিৰ অৰ্থ দিয়া হৈছে এনেদৰে— "the ordinary form of written or spoken language, without rhyme or meter; speech or writing that in not poetry" (websiter's New World Dictionary), অৰ্থাৎ, ছন্দত নোহোৱা লিখিত বা কথিত ভাষাই গদ্য।

গদ্যৰ সম্বন্ধে থকা এনেবোৰ কথাই গদ্যৰ প্ৰকৃত সংজ্ঞা অৰ্থৱহভাৱে প্ৰকাশ কৰিছে বুলি নিশ্চিতভাৱে ক'ব পৰা নাযায়। পশ্চিমীয়া দেশতো সমালোচকসকলে এনে লেখীয়া সিদ্ধান্তৰ আলমতে গদ্যৰ সূত্ৰ দিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয়। অৰ্থাৎ, কি প্ৰাচ্য, অথবা কি পাশ্চাত্য উভয়তে গদ্যৰ সংজ্ঞাগত পৰিচয় দিবলৈ যাওঁতে আলোচকসকলে পদ্য বা কাব্যৰ সৈতে থকা ইয়াৰ বিপৰীতধৰ্মী গুণৰ আশ্ৰয় লৈছে। Marjorie Boulton নামৰ সমালোচিকা গৰাকীয়ে গদ্য আৰু পদ্যৰ মাজৰ পাৰ্থক্য সূচাবলৈ গৈ এনেদৰে মন্তব্য দিছে— 'poetry is much more figuretive than prose', কাব্য বা পদ্য গদ্যতকৈ অধিকতৰ অলংকাৰময়। এনে উক্তিৰ দ্বাৰা তেওঁ ইয়াকে প্ৰতিপন্ন কৰিছে যে গদ্য আৰু পদ্য উভয়তে লয় থাকে, কেৱল পদ্য বা কবিতাত ইয়াৰ উপস্থিতি ছন্দ-সুষমাৰ অন্তৰ্গত ধ্বনিসাম্য, অলংকাৰ, সংগীতময়তা আৰু কবিতাৰ আন আন উপাদান বৈভৱৰ বাবে অধিক। Herbert Readয়ে গদ্যক প্ৰস্তুত শব্দৰাশিৰ দ্বাৰা নিৰ্মিত এক সৌধ বুলি মন্তব্য কৰিছে, তেওঁৰ মতে 'prose is a structure of readymade words'. এইজনা সমালোচকেই আকৌ স্থানান্তৰত গদ্য আৰু কবিতাৰ মাজত থকা অমিলখিনিক এনেদৰে ব্যক্ত কৰিছে— "Poetry is creative expression; prose is constructive expression", অৰ্থাৎ গদ্য আৰু পদ্য উভয়েই প্ৰকাশ-অভিব্যক্তি, পাৰ্থক্য মাথোঁ ইমানেই যে কবিতা সৃজনশীল, আনহাতে গদ্য গঠনমূলক।

সংস্কৃত আলঙ্কাৰিকসকলে গদ্যক ঘাইকৈ চাৰিটা ভাগত ভগাইছে— অৱশ্যে এওঁলোকে এনে ৰচনাকো কাব্য বিশেষণযুক্ত কৰি গদ্যকাব্য বুলিহে নামকৰণ কৰা দেখা যায়। এই চাৰি ভাগ হৈছে—

ক) মুক্তক গদ্য— ই সমাসবিহীন। ইয়াৰ উদাহৰণ— *পৃথৱ্যাসি, গুৰ্ৱৰ্চসি*।

খ) বৃত্তগন্ধী গদ্য— আংশিকভাৱে ছন্দ সম্পৰ্কযুক্ত গদ্য বৃত্তগন্ধী। ইয়াৰ উদাহৰণ— কবিৰাজ বিৰচিত *কুণ্ডলীকৃতকোদণ্ড, সমৰদ্বয়কণ্ডুয়ন*।

গ) উৎকলিকাপ্ৰায় গদ্য— ই দীঘল সমাসযুকত। উদাহৰণ স্বৰূপে, প্ৰাচীন সংস্কৃত শাস্ত্ৰৰ যিকোনো সুদীৰ্ঘ পদৰচনাক দেখুৱাব পাৰি।

ঘ) চূৰ্ণক গদ্য— হ্ৰস্বসমাসযুক্ত পদবিশিষ্ট ৰচনা চূৰ্ণক গদ্য; উদাহৰণ— *গুণতন্ত্ৰাকৰ-জগদেকনাগৰ কামিনীমদন পুনৰজন*। (সাহিত্য দৰ্শন)

পাশ্চাত্যৰ আধুনিক সমালোচকসকলেও নানান দৃষ্টিকোণৰ পৰা বিচাৰ-বিশ্লেষণ কৰি গদ্যৰ শ্ৰেণী বিভাজন কৰিছে—

Marjorie Boulton-এ গুণ আৰু ধৰ্মৰ প্ৰতি লক্ষ্য ৰাখি গদ্যক নিম্নলিখিত ভাগত ভগাইছে—

ক) Narrative (বিৱৰণাত্মক)

খ) Argumentative (যুক্তিনিষ্ঠ)

গ) Dramatic (নাটকীয়)

ঘ) Informative (সংবাদজ্ঞাপক) আৰু

ঙ) Contemplative (চিন্তামূলক)

আনহাতে, Style বা শৈলীৰ বৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰ কৰিও গদ্যক ক্ৰমে যুক্তিবাদী শৈলী, ব্যঙ্গাত্মক শৈলী, সংলাপমূলক শৈলী আৰু নাটকীয় শৈলীৰ গদ্য এনে ভাগত ভগাব পাৰি।

গদ্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰিবলৈ লৈ অধ্যাপক প্ৰফুল্ল কটকীয়ে ইয়াৰ মৌলিক প্ৰকৃতিক আধাৰ হিচাপে লৈছে। এনে আধাৰভিত্তিক গদ্যৰ প্ৰকাৰ প্ৰধানতঃ তিনিবিধ—

ক) বিবৃতিমূলক গদ্য

খ) সমালোচনাত্মক বা চিন্তাশীল গদ্য আৰু

গ) ৰসাশ্ৰয়ী, ৰসসিক্ত বা চিন্তাশীল গদ্য।

ইয়াৰ ভিতৰত সাহিত্যিক গদ্যৰ যিটো পৰিচিত ৰূপ আমি পাওঁহঁক, সেইটোক প্ৰধানকৈ মূলতঃ সৃষ্টিশীল আৰু সমালোচনাত্মক ভাগত থ'ব পৰা যায়। বিবৃতিমূলক গদ্য তথ্যাশ্ৰয়ী হয় বাবে ইবোৰৰ সাহিত্যিক মূল্য কম।সেয়ে,ভাষান্তৰত ইবিধক ব্যৱস্থাপক, বিধায়ক অথবা নিৰ্দেশাত্মক গদ্য বুলিও অভিহিত কৰা হয়। ওপৰত উল্লেখ কৰা চিন্তাশীল গদ্যকো আকৌ তত্ত্বমূলক, বিশ্লেষণাত্মক, ব্যাখ্যামূলক ইত্যাদি কেতবোৰ সৰু সৰু ভাগত থ'ব পাৰি। ভাববাদী আৰু বস্তুনিষ্ঠ বুলিবৰো দুটা সুকীয়া ভাগত গদ্যক ভাগ কৰি দেখুওৱা হৈছে। প্ৰকাশভংগীৰ ওপৰত নিৰ্ভৰ কৰি গদ্যক নিৰাভৰণ বা আড়ম্বৰহীন (Plain) আৰু অলংকৃত বা বাখৰুৱা (Ornate) এই দুটা ভাগতো ভগোৱা হৈছে।

আপুনি মন কৰিব যে, গদ্যৰ স্বৰূপ উপলব্ধিত গদ্য আৰু পাৰ্থক্যৰ সীমাৰেখা, গদ্যৰ বিভাজন ৰীতি আৰু সূত্ৰায়িত ব্যাখ্যাই ইয়াৰ সম্পূৰ্ণ দিশসমূহ স্পষ্ট কৰি দেখুৱাব নোৱাৰে। তথাপি এনে আলোচনাৰ জৰিয়তেই গদ্যৰ এটি অৱধাৰণাগত সিদ্ধান্তত উপনীত হ'বলৈ প্ৰয়াস কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গদ্য শব্দটিৰ ব্যুৎপত্তিমূলক ব্যাখ্যা দাঙি ধৰক। গদ্যক প্ৰধানকৈ কি কি ভাগত ভগাব পাৰি? বহলাই লিখক।

(150টা শব্দৰ ভিতৰত)

১.৪ অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ

এই উপশাখাটিত আমি আপোনাক আপোনাৰ অধ্যয়নৰ বাবে যুগুতাই দিয়া অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক অৱস্থাৰ এটি আভাস দিবলৈ চেষ্টা কৰিম। আপোনাক জনাই থওঁ যে, এই স্তৰৰ গদ্যত নিদৰ্শন হিচাপে আমি মন্ত্ৰপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ আলোচনাতহে প্ৰবৃত্ত হ'ম। আপুনি জানে যে অসমীয়া ভাষাইও ভাৰতবৰ্ষৰ অন্যান্য ভাষাৰ দৰে ইয়াৰ পুৰণি সাহিত্য-সম্ভাৰেৰে প্ৰথম প্ৰকাশ লাভ কৰিছে ছন্দোময় ৰূপত। মানৱ মনৰ সাংস্কৃতিক অভিব্যক্তিৰ সুপ্ৰকাশ ঘটে ছন্দত, কিন্তু সাধাৰণ কথা-বতৰাৰ প্ৰকাশ মাধ্যম হ'ল কথা ৰূপ। পদ্য ৰচনাত সমসাময়িক নহ'লেও অসমীয়া গদ্য ৰচনাইও প্ৰাচীন মন্ত্ৰপুথিত প্ৰাপ্ত গদ্য আৰু তৎ পৰৱৰ্তী ষোড়শ শতিকাৰ মহাপুৰুষ শঙ্কৰদেৱ আৱিষ্কৃত অঙ্কীয়া নাটৰ গদ্যৰ মাজেদি অভিব্যক্তি লাভ কৰে।পিছলৈ ভট্টদেৱৰ হাতত এই গদ্যৰ অবিচ্ছিন্ন ধাৰাটিয়ে স্বকীয় ৰূপত বিকশিত হৈ উঠে।

১.৪.১ অসমীয়া মন্ত্ৰ সাহিত্যৰ গদ্য

মন্ত্ৰ সাহিত্য মৌখিকসাহিত্যৰ এক বিশিষ্ট অঙ্গ। এইবিধ সাহিত্য ঘাইকৈ মন্ত্ৰপুথি আৰু মন্ত্ৰৰ ধাৰক-বাহকসকলৰ মুখ পৰম্পৰাত প্ৰচলিত হৈ থাকে। মন্ত্ৰ তথা মন্ত্ৰ-সাহিত্যৰ উৎপত্তি অতি পুৰণি। মহেশ্বৰ নেওগৰ মতে পালি বৌদ্ধ সাহিত্যৰ ভিতৰুৱা নিকায়সমূহৰ ভিতৰৰ ব্ৰহ্মজাল সূত্ৰত নানা প্ৰকাৰৰ সুপ্ত মন্ত্ৰৰ কথা আছে। ইবোৰক বুদ্ধদেৱে 'কুটিল' আখ্যা দিছিল। ভাৰতীয় পৰম্পৰাত মন্ত্ৰ-তন্ত্ৰৰ প্ৰচলন অতীজৰে পৰা চলিছিল। বৈদিক সুক্তবোৰো নিশ্চয় মন্ত্ৰই আছিল। কিন্তু মন্ত্ৰৰ বিপৰীতে সেইবোৰ সমূলি অৰ্থহীন নাছিল। হিন্দু ধৰ্মৰ তান্ত্ৰিক পদ্ধতিত মন্ত্ৰ সাহিত্যৰ অবাধ গতি আৰু প্ৰচলন আছিল।

অসমত প্ৰচলিত মন্ত্ৰ সাহিত্যৰ প্ৰাচীনতা ঠাৱৰ কৰা কঠিন কাম। মন্ত্ৰবোৰত হিন্দুৰ চাৰি বেদ, বিশেষকৈ অথৰ্ব বেদৰ কথা, আনফালে, আকৌ ইছলাম ধৰ্মত কো�ৰাণ, মহম্মদ, ফি�ৰিঙ্গি আদিৰ উল্লেখ থকাৰ কথা মহেশ্বৰ নেওগে উল্লেখ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে— "অঙ্কীয়া নাটৰ সমসাময়িক বা তাতোকৈ অলপ পূৰ্বৰ গদ্যৰ পৰিচয় আছে মন্ত্ৰ সাহিত্যত।" ডিম্বেশ্বৰ নেওগৰ মতে মন্ত্ৰসমূহ "অতি আদিম, অন্ততঃ একাদশ-দ্বাদশ শতিকাৰ পিছলৈ নাহে; বিশেষকৈ অসমীয়া সমাজত বৈষ্ণৱ ধৰ্মৰ ঢৌ উঠাৰ পিছত আৰু এনেবোৰ তন্ত্ৰ-মন্ত্ৰৰ নকৈ জন্ম হোৱা সম্ভৱ নহয় বুলিয়ে ভাবিব পাৰি।"

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় অনুমান কৰিব পাৰিছে যে প্ৰাক্‌শঙ্কৰী যুগৰ বহু আগৰে পৰাই অসমত মন্ত্ৰৰ প্ৰচলন আছিল।শঙ্কৰদেৱৰ আৱিৰ্ভাৱ আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত একশৰণীয়া নামধৰ্মৰ হেতুকে বৈষ্ণৱপন্থীসকলে এই মন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰা হৈছিল। তথাপি শাক্ত আৰু তন্ত্ৰ ব্যৱস্থাত বিশ্বাসীসকলে তন্ত্ৰ-মন্ত্ৰৰ ব্যৱহাৰ কৰি থকা কাৰণে ছেগাচোৰোকাকৈ হ'লেও অসমত এইবিধ সাহিত্যৰ প্ৰচলন আছিল।

লোক-সাহিত্যৰ আন আন ভাগবোৰৰ দৰে মন্ত্ৰ-সাহিত্যৰ সৃষ্টিও কোনো এক নিৰ্দিষ্ট সময়ত হোৱা নাছিল। সেইবাবে এইবোৰ কাল নিৰপেক্ষ। ইয়াৰ উৎপত্তিৰ কোনো কাল নিৰ্ধাৰণ কৰিব নোৱাৰিলেও অসমীয়া সমাজ জীৱনত ষষ্ঠদশ শতিকালৈ ক্ষীণ ৰূপত হ'লেও এটি সুঁতি চলি আছিল। বিশেষকৈ বেজ-বেজালি আৰু নেতিবাচক যাদু প্ৰয়োগৰ নামত এচাম লোকে মন্ত্ৰৰ প্ৰয়োগ কৰিছিল। গোপনীয়তা ৰক্ষাৰ স্বাৰ্থত এইসকল লোকে মন্ত্ৰপুথিবোৰ আছুতীয়াকৈ সংৰক্ষণ কৰিছিল। এনেদৰে বহুতো মন্ত্ৰ-সাহিত্যৰ পুথি সময়ৰ সোঁতত জাহ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমত প্ৰচলন হৈ থকা মন্ত্ৰ আৰু ইয়াৰ লগত জড়িত থকা সাহিত্যৰ প্ৰাচীনতা ঠাৱৰ কৰক। [150টা শব্দৰ ভিতৰত)

অসমত প্ৰচলিত মন্ত্ৰপুথিসমূহৰ ভিতৰত কৰতী পুথি, বীৰাজৰা মন্ত্ৰপুথি, সাপৰ ধাৰণী মন্ত্ৰ। সাৰ্বটাক মন্ত্ৰ, শুচী মন্ত্ৰ ইত্যাদিৰ নাম উল্লেখযোগ্য। ইয়াৰ উপৰি বিলাসী মন্ত্ৰ, উচাটন মন্ত্ৰ, অগ্নিবাণ মন্ত্ৰ, মোহিনী মন্ত্ৰ ইত্যাদি মন্ত্ৰপুথিৰ নাম পোৱা গৈছে।

কৰতী পুথিৰ মন্ত্ৰক পানীকটা মন্ত্ৰ বুলিও কোৱা হৈছিল। ধাৰণী মন্ত্ৰক নামান্তৰত ধৰণী মন্ত্ৰ বা ধৰণী ধৰা মন্ত্ৰ বোলা হৈছিল। ই মূলতঃ সাপৰ মন্ত্ৰ। বিৰিঞ্চি কুমাৰ বৰুৱাই মধ্যযুগৰ বৌদ্ধ ধৰ্মতো এনে বিধৰ জৰাফুকা মন্ত্ৰ প্ৰচলন থকাৰ কথা উল্লেখ কৰিছে। বৌদ্ধ ধৰ্মকালীন এই মন্ত্ৰক 'পবিত্তা' বুলিও কোৱা হৈছিল। লোকবিশ্বাস মতে এই মন্ত্ৰই বিপজ ভঞ্জন কৰে। সিংহল (শ্ৰীলঙ্কা), চীন, নেপাল, তিব্বত আদি দেশত এই মন্ত্ৰৰ প্ৰচলন আছে। ইয়াৰ বিপৰীতে কৰতী পুথিৰ মন্ত্ৰৰ সৈতে অথৰ্ব বেদৰ সুক্তসমূহৰ সম্পৰ্ক পণ্ডিতসকলে বিচাৰি পাইছে। ব্ৰহ্মকৰতী নামৰ মন্ত্ৰপুথিত ইয়াৰ উল্লেখ এনেদৰে পোৱা যায়— "অনন্ত শয্যাত গোহাঞি শুতি আছিলন্তে। বাজ ভৈলা চাৰি বেদ নিশ্বাস কাঢ়ন্তে। অথৰ্ব বেদৰ অৰণ্য কৰতি কহে। কৰতী মন্ত্ৰ জগতত বহে।"

বীৰাজৰা মন্ত্ৰ বীৰা আদি জপাবলৈ ব্যৱহাৰ কৰা হৈছিল। সৰ্বঢাক মন্ত্ৰৰ দ্বাৰা অপায়-অমংগল নাশ কৰা লোকবিশ্বাস সম্পৰ্কিত আছিল। শুচী মন্ত্ৰত শুদ্ধিকৰণৰ ধাৰণা সম্পৃক্ত হৈ থকাৰ উল্লেখ পোৱা যায়। আনহাতে, কিছুমান পুথিত মন্ত্ৰৰ প্ৰভাৱ দূৰ কৰিবলৈ ওভতা মন্ত্ৰ থকাৰ প্ৰমাণ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমত প্ৰচলিত থকা কেইবিধমান মন্ত্ৰ আৰু মন্ত্ৰপুথিৰ সৈতে আপোনাৰ পৰিচয়ৰ কথা উল্লেখ কৰক।

[150টা শব্দৰ ভিতৰত)

অসমীয়া গদ্য-সাহিত্যৰ ক্ৰমবিকাশৰ অধ্যয়নত মন্ত্ৰপুথিসমূহৰ গদ্যক আদি স্তৰৰ নিদৰ্শন ৰূপে দেখুৱাব পাৰি। আপুনি এই অধ্যায়ৰে পিছৰ উপ-বিভাগত পঢ়িবলৈ পাব যে প্ৰকৃত অসমীয়া গদ্যৰ আৰম্ভণি শঙ্কৰদেৱ ৰচিত অঙ্কীয়া নাটসমূহতহে হৈছিল। তথাপি ইয়াৰ পূৰ্বস্তৰৰ চানেকি হিচাপে মন্ত্ৰ-সাহিত্যৰ গদ্যৰ এক সুকীয়া স্থিতি লক্ষ্য কৰা যায় বুলি ক'লে ভুল কোৱা নহয়।উল্লেখযোগ্য যে,আলোচনাৰস্বাৰ্থত মন্ত্ৰ-সাহিত্যৰ প্ৰকাশ মাধ্যমটিক গদ্যৰ নিদৰ্শন বোলা হৈছে যদিও,ইয়াৰ মাজত যথাৰ্থ গদ্যৰীতি ৰক্ষিত হোৱা নাই, অধিক কি গদ্যৰ সকলো লক্ষ্যণো ইয়াত পোৱা নাযায়। ইয়াৰ প্ৰধান কাৰণ মন্ত্ৰসমূহ ইয়াৰ স্ৰষ্টাৰ যথেচ্ছা প্ৰয়োগৰ বাবে গদ্য-পদ্য উভয় মাধ্যমতে বিৰচিত হৈছিল। এনে মিশ্ৰ ৰূপৰ ৰচনা হোৱা কাৰণে ইয়াত পদ্যৰো স্বতন্ত্ৰীয়া প্ৰকাশ নাই। এই সন্দৰ্ভত মহেশ্বৰ নেওগে কৰা মন্তব্য প্ৰণিধানযোগ্য— "মন্ত্ৰ সাহিত্যৰ এটি প্ৰধান বৈশিষ্ট্য— তাৰ ছন্দধ্বনি আছে যদিও অন্ত্যানুপ্ৰাস আৰু পদ-সাম্য সিৰোৱত অভিপ্ৰেত নহয়।"

সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে— "এই মন্ত্ৰবোৰ সৰ্বসাধাৰণৰ কথিত ভাষাৰ ভিত্তিত ৰচনা কৰা হৈছিল। ইয়াত গদ্যৰ স্থান গৌণহে, পদ্যকেই ভাব প্ৰকাশৰ বাহন ৰূপে ব্যৱহাৰ কৰিছে।"

মন্ত্ৰসমূহ লোকজনৰ ৰচনা। লোকসৃষ্টিয়ে প্ৰকাশৰ ৰীতিনিৱদ্ধ গদ্য-পদ্যৰ ব্যৱধান নামানে। আনহাতে, ইয়াৰ প্ৰয়োগৰ স্থায়িত্বৰ ওপৰত ৰচকসকলে বেছি গুৰুত্ব প্ৰদান কৰা হেতুকে দুয়োবিধ মাধ্যমৰ মিশ্ৰ ৰূপ এটিৰ ব্যৱহাৰ কৰিছিল। সম্ভৱতঃ এনে ৰূপৰ ব্যৱহাৰে মন্ত্ৰৰ ঐন্দ্ৰজালিকতা আৰু সাধাৰণজনৰ বাবে এক দুৰ্বোধ্যতাৰ মায়াজালৰো সৃষ্টি কৰিছিল।

মন্ত্ৰ-সাহিত্যত ব্যৱহৃত গদ্যৰ বৈশিষ্ট্য কেইটিমান তলত দিয়া ধৰণে নিৰূপণ কৰিব পাৰি—

১) **পদ্যধৰ্মিতা** ঃ ওপৰৰ আলোচনাত মন্ত্ৰৰ গদ্যৰ বিষয়ে আৰু ইয়াৰ পদ্যাশ্ৰয়ী গুণবৈশিষ্ট্য সম্বন্ধে আপুনি কিছু কথা জানিব পাৰিলে। প্ৰয়োগৰ স্বাৰ্থতে মন্ত্ৰসমূহ ইয়াৰ ধাৰকসকলে সুৰ ধৰি গাইছিল। সেয়ে ইয়াত থকা গদ্যধৰ্মী অংশখিনিও সুৰ আৰু পদ্যৰ সহযোগত ন ৰূপত পৰিৱেশিত হৈছিল। পদ্য ৰচনা-ৰীতিৰ অনুকূলে মন্ত্ৰসমূহত বহু ক্ষেত্ৰত আগৰ শাৰীৰ আখৰৰ সৈতে হুবহু মিল থকা আখৰ পিছৰ শাৰীত থকা দেখা যায়। আনহাতে, যিবিলাকত এনে মিল তথা বৰ্ণনা প্ৰয়োগ দেখা নাযায়, সেইবিলাকতো আচহুৱা পদ ৰচনাৰ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। এই দুই ধৰণৰ মন্ত্ৰ ৰচনাৰ নমুনা হিচাপে দুফাকি তলত উদ্ধৃত কৰা হ'ল—

ক) পদ্যধৰ্মিতা ৰক্ষিত মন্ত্ৰ— (কৰতী মন্ত্ৰ)

"চন্দ্ৰ মাখি, সূৰ্য্য মাখি, অমুকাৰ মুখ ৰাখি অন্তচুৰ মেলো। দান্তচুৰ মেলো। চুলিচুৰ মেলো। স্বৰ্ণচুৰ মেলো। ভৰি চুৰ মেলো। জলচুৰ মেলো। থল চুৰ মেলো। পাতালি চুৰ মেলো। চৌষষ্ঠী চুৰ মেলো। পানি কৃত্য কৰো। ব্ৰহ্মা মহাদেৱৰ আজ্ঞা

পালো। কুমন্ত্ৰ কুজ্ঞান কুকৰ্ম হাড়া মন্দ কৰা, ৰোগ ব্যাধি চূণ কৰাত পড়ি সমস্তক পানি কৃত্য কৰো।" —এই মন্ত্ৰখণ্ডৰ সৰহ অংশতে শাৰীৰ আখৰৰ মিল আছে।

খ) উভয় ৰূপ ৰক্ষিত মন্ত্ৰ— (কৰতী মন্ত্ৰ ঃ সুদৰ্শন চক্ৰ কৰতী)

"ব্ৰহ্মাদেৱ বহি আছে চমৎকাৰ কৰি। আদি পূবত বসিলা ইন্দ্ৰ যম দক্ষিণত। উত্তৰত কুবেৰ বৰুণ। পশ্চিমত আনো দেৱগণ আছে সভা পাতি। সেহি সমাজক চক্ৰে দেখিলেক পাছে। দেখি থৰহৰি কম্পে যত শ্ৰম আছে। চমৎকাৰ কৰি ইন্দ্ৰ সুৰপতি ঝাম্পে কৰি থৰ থৰ। কৌটি সূৰ্য্য সম যেন চক্ৰ সুদৰ্শন। প্ৰলয়ৰ অগ্নি যেন দহি কৰে চন্ন। ভৰক ভৰক কৰি পাৰে লাগে জুই। পলাই দেৱ দৈত্য চেঞ্চাপোচা হুই।। চাৰিবাৰ শংকা নাই চক্ষু যাই ফুটি।যাকে যৈতে পাৰে চক্ৰ পেলাইলো কাটি।"

ব্ৰহ্মৰ দিব্যসভাৰ মনোৰম বৰ্ণনা থকা এই মন্ত্ৰভাগত প্ৰথম চাৰিটা শাৰীৰ আখৰৰ মিল নাই। পঞ্চম আৰু ষষ্ঠ শাৰীত ক্ৰমে 'পাছে' আৰু 'আছে'-ত 'ছ'ৰ ব্যৱহাৰ হৈছে। সপ্তম শাৰীটো এনে মিলৰ বাহিৰত। আকৌ পিছৰ অষ্টম আৰু নৱম শাৰীত 'সুদৰ্শন'ৰ 'ন' 'চন্ন'-ৰ 'ন'ৰ দিত্ব প্ৰয়োগেৰে মিল সূচোৱা হৈছে। দশম আৰু একাদশী শাৰীত 'জুই'ৰ 'ই' আৰু 'হুই'-ৰ 'ই' মিল আছে। তদনুৰূপ শেহৰ দুয়োটা শাৰীৰ শেহৰ আখৰত 'টি'ৰ প্ৰয়োগ মিল লক্ষ্যণীয়।

২) **আচহুৱা শব্দৰ প্ৰয়োগ ঃ** আচহুৱা ধৰণৰ শব্দৰ প্ৰয়োগ মন্ত্ৰ সাহিত্যৰ অন্যতম লক্ষণ। এই শব্দবোৰক দৰাচলতে অৰ্থহীন ধ্বনি বোলাহে যুগুত। মন্ত্ৰোচ্চাৰকে এনে ধ্বনি প্ৰয়োগ কৰাৰ ব্যৱহাৰিক কাৰণ আছে। সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে 'এই ধ্বনিসমূহৰ প্ৰয়োগৰ দ্বাৰা যাদুকৰী পৰিৱেশ এটা সৃষ্টি কৰিবলৈ বিচৰা হৈছে।' আনহাতে, বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে মন্ত্ৰসমূহক বেদসন্মত কৰিবৰ কাৰণে 'ওঁ', 'স্বাহা' আদি মংগল বচন হ'লেও, 'উৎ', 'আং', 'হ্ৰীং', 'উম', 'এবং', 'ক্ৰোং', 'ফট', 'অহ' আদি গুপ্তাৰ্থ নিহিত ধ্বনিহে।

৩) **অবিন্যস্ত বাক্যৰীতি ঃ** গদ্য সদায় যথাৰ্থ আৰু অনুবন্ধনযুক্ত বাক্যৰীতিৰ ওপৰত নিৰ্ভৰশীল। নিভাঁজ বাক্যবিন্যাস প্ৰকৰণেহে গদ্যৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। ব্যাকৰণৰ মতেও শব্দ কেতবোৰৰ সমাহাৰেই বাক্য নহয়। পদৰ যথোচিত প্ৰয়োগ, যোগ্যতা, আকাংক্ষা আৰু আসক্তিৰ ব্যৱহাৰহে বাক্যৰ প্ৰকৃত লক্ষণ। মন্ত্ৰপুথিৰ গদ্যত ইয়াৰ এটিৰো সুষম প্ৰয়োগ দেখা নাযায়। বিৰিঞ্চি কুমাৰ বৰুৱাই মন্ত্ৰৰ বাক্য বিন্যাস পদ্ধতিৰ বিষয়ে এনেদৰে কৈছে— "বাক্য গঠন পদ্ধতি চঞ্চল আৰু ব্যাকৰণ বন্ধনবিহীন। বহুত মন্ত্ৰতে গদ্যৰ যি প্ৰকৃত গুণ, অৰ্থাৎ যুক্তিসংলগ্নভাৱে ভাব প্ৰকাশ কৰিবৰ ক্ষমতা তাৰে অভাৱ। ভালেমান মন্ত্ৰ ক্ৰিয়াবিহীন। কিছুমান দুৰ্বোধ শব্দ আৰু অস্পষ্ট বাক্যাংশৰ সমষ্টিহে মাথোন।" ধৰা— "ৰামৰ শৰ, পিঙ্গলিয়া শৰ দেৱ শৰ, ইন্দ্ৰ শৰ চত্তা শৰ' ইত্যাদি।"

অধিক কি, মন্ত্ৰসমূহৰ পাঠোচ্চাৰণৰ বাবে ইয়াৰ বাক্যত যতি চিনৰো সুস্পষ্ট প্ৰয়োগ-ৰীতি দেখা পোৱা নাযায়।

প্ৰকৃত গদ্যৰ লক্ষণবিশিষ্ট নহ'লেও অসমীয়া মন্ত্ৰ-সাহিত্যই উদ্ভৱ কালৰ অসমীয়া গদ্যক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। প্ৰকৃত গদ্য নহ'লেও অসমীয়া গদ্যসাহিত্যৰ পৰিক্ৰমাৰ প্ৰথমাৱস্থাৰ ই এক সুন্দৰ আভাস ৰূপে গণ্য হৈ ৰ'ব। ই অসমীয়া কাব্যভাষাৰ নিকট আত্মীয়। নিভাঁজ ঘৰুৱা শব্দৰ ব্যৱহাৰে ইয়াক অধিক আকৰ্ষণীয় কৰি ৰাখিছে। ঠায়ে ঠায়ে আলঙ্কাৰিক প্ৰয়োগে ইয়াৰ সাহিত্যিক মূল্যতো অৱদান যোগাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মন্ত্ৰপুথিৰ গদ্যত পদ্যধৰ্মী সমল অধিক নে গদ্যধৰ্মী সমল? বহলাই লিখক। [150টা শব্দৰ ভিতৰত)

১.৪.২ অঙ্কীয়া নাটৰ গদ্য

আপুনি ইতিমধ্যে আগৰ পাঠত অঙ্কীয়া নাট সম্বন্ধে অধ্যয়ন কৰিছে। অঙ্কীয়া নাট মহাপুৰুষ শঙ্কৰদেৱৰ এক অপ্ৰতিম সৃষ্টি। তেওঁ অসমত একশৰণীয়া নামধৰ্মৰ প্ৰতিষ্ঠা,প্ৰসাৰ আৰু প্ৰচাৰ কৰি এক যুগজয়ী কৃতিত্ব ৰাখি থৈ গৈছে। তদানীন্তন অসমীয়া সমাজ ব্যৱস্থাত বৰ্তি থকা পৰিৱেশত ভাগৱত-আদৰ্শভিত্তিক কৃষ্ণতত্ত্ব আধাৰৰ এই নামধৰ্ম প্ৰচাৰ কৰাটো আছিল কষ্টসাধ্য। মহাপুৰুষজনাই পদপুথি ৰচনাৰ উপৰি পৰিবেশ্য কলাৰ সহায়ত সাধাৰণ জনগণৰ মাজত এই ধৰ্ম প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

আপুনি নিশ্চয় অনুমান কৰিব পাৰিছে যে, ওপৰত উল্লেখ কৰা পৰিবেশ্য কলাৰূপ বুলিলে বৰগীত আৰু অঙ্কীয়া নাটৰ কথাকে কোৱা হৈছে। ভাৰতবৰ্ষৰ মধ্যযুগত উদ্ভৱ হোৱা বৈষ্ণৱ আন্দোলনসমূহে বিভিন্ন ভাষাত গীত-কবিতাৰ জন্ম দিয়ে। অসম প্ৰদেশতো শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ আন্দোলন সৃষ্টিশীল হৈ উঠে আৰু তাৰ ফলস্বৰূপে বৰগীত আৰু ভটিমান নামৰ এক শ্ৰেণীৰ অনুপম আধ্যাত্মিক গীতৰ ৰচনা হয়।

এই পৰিবেশ্য কলাৰ দ্বিতীয় ধাৰাটি হ'ল অঙ্কীয়া নাট। শঙ্কৰদেৱৰ অঙ্কীয়া নাটছখন। সেইকেইখন হ'ল— *পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ* আৰু *ৰামবিজয়*। খ্ৰীষ্টিয় ষোড়শ শতিকাত মহাপুৰুষৰ হাতত সৃষ্ট এই শ্ৰেণীৰ নাটে পৰৱৰ্তী অব্যৱহিত দিনত মাধৱদেৱ প্ৰমুখ্যে শিষ্য-প্ৰশিষ্যসকলৰ হাতত পৰিপূৰ্ণতা লাভ কৰে। অঙ্কীয়া নাটৰ সৃষ্টিৰ অনুপ্ৰেৰণা সংস্কৃত নাট যদিও স্থানীয় লোককলা ওজাপালি অনুষ্ঠান আৰু পুতলা নাচৰ সমল থকাৰ কথা পণ্ডিতসকলে উল্লেখ কৰিছে। অঙ্কীয়া নাট গীত-পদ প্ৰধান যদিও ইয়াত সংস্কৃত শ্লোক আৰু পূৰ্বে লিখিত পৰম্পৰাত নথকা একপ্ৰকাৰ গদ্যৰ স্থিতি আছে। পণ্ডিতসকলৰ মতে *পত্নীপ্ৰসাদ*খনি শঙ্কৰদেৱৰ প্ৰথম নাট। সেয়ে হ'লে এইখন নাটতে প্ৰথম অসমীয়া গদ্যৰ পৰম্পৰা আৰম্ভ হৈছে বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শঙ্কৰদেৱ সৃষ্ট অঙ্কীয়া নাট আৰু বৰগীত সম্বন্ধে এটি চমুটোকা লিখক। [150টা শব্দৰ ভিতৰত)

বৰগীতৰ নিচিনাকৈ অঙ্কীয়া নাটত ব্যৱহৃত ভাষাটিৰ নাম ব্রজাৱলী। উল্লেখনীয় যে মহাপুৰুষজনাই পদপুথি ৰচনাত ব্যৱহাৰ কৰা পুৰণি অসমীয়া ভাষাটিক এই দুয়োবিধ কলা ৰূপত ব্যৱহাৰ কৰা নাই। গেয় পদ্ধতিৰ বৰগীত আৰু নাট্য-পদ্ধতিৰ অঙ্কীয়া ভাওনাত এক সুকীয়া ভাষাৰ ব্যৱহাৰ কৰি দুয়োবিধ কলাশৈলীক আজিকোপতি অসমীয়া মানুহৰ চিত্তাকর্ষক কৰি ৰাখিব পৰাটো মহাপুৰুষজনাৰ অনন্য কৃতিত্ব।

ব্রজাৱলী ভাষা সম্বন্ধে পণ্ডিতসকলৰ ভিন্ ভিন্ মত আছে। অম্বিকা নাথ বড়াই তেওঁৰ সম্পাদিত *ৰুক্মিণী হৰণৰ* পাতনিত লিখিছে— "যোল্ল শতিকাৰ ভাষাৰ লগত অৱশ্যে বর্তমান ভাষাৰ কিছু অমিল থাকিবই, কিন্তু এই নাটকবিলাকৰ ভাষাৰ লগত আমাৰ বর্তমান ভাষাৰ অমিল বৰ বেছি। ইয়াৰ কাৰণ নাটকবিলাকত সেই সময়ৰ আমাৰ ভাষাৰ লগত, ভাৰতবর্ষত ব্রজাৱলী বুলি যি এটা কথিত ভাষা আছে, তাক বহুল পৰিমাণে মিহলোৱা হৈছে।"

কালিৰাম মেধিয়ে তেওঁৰ *অঙ্কাৱলীৰ* পাতনিত লিখিছে— "অশিক্ষিত পুৰুষ আৰু নাৰীসকলেও যাতে নাটবোৰ বুজি পায় তাৰ বাবে নাটত এটা সহজ-সৰল ভাষা প্রয়োগ কৰা হৈছে, ইয়াৰ নাম ব্রজবুলি।"

পণ্ডিতসকলে এই ভাষাটোৰ উৎস ৰূপে মৈথিলী, শৌৰসেনী-মাগধী আদি ভাষাৰ কথা উল্লেখ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাই মন্তব্য কৰিছে— "ব্রজাৱলী ভাষা মূলতে মৈথিলী ভাষাৰ পৰা উদ্ভৱ হ'লেও ই অসমীয়া কবিৰ হাতত আৰু অসমীয়া ভাষা-সাহিত্যৰ আশ্রয়ত পুষ্ট আৰু পৰিবর্দ্ধিত হৈছে দেখি ইয়াক অসমীয়া উপভাষা বুলিব পাৰি।"

মহেশ্বৰ নেওগৰ মতে— "মৈথিল ভাষাই ব্রজবুলিৰ ভেঁটি। তাৰ ওপৰতে অসমীয়া বৈয়াকৰণিক আৰু আভিধানিক ৰূপৰ লগতে পশ্চিমা হিন্দীৰ ভগা-ছিগা টুকুৰা গোটাই আমাৰ 'অসমীয়া ব্রজবুলি'ৰ ঘৰটো সজা হৈছে।"

সত্যেন্দ্র নাথ শর্মাৰ মতেও ব্রজাৱলী ভাষাটো হৈছে মৈথিলী আৰু অসমীয়া ভাষা মিলাই সৃষ্টি কৰা এটা কৃত্রিম সাহিত্যিক ভাষা।

ভাষাতত্ত্ববিদ সুনীতি কুমাৰ চেটার্জীয়েও বঙ্গত মৈথিলী মিশ্রিত বাংলা আৰু অসমত অসমীয়া আৰু অপভ্রংশ আৰু তেতিয়াৰ পশ্চিমী হিন্দীৰ মিহলি এটা কৃত্রিম ভাষা গঢ় লৈ উঠিছিল বুলি মত পোষণ কৰিছে।

উপেন্দ্ৰ নাথ গোস্বামীয়ে অসমীয়া ব্ৰজবুলি বা ব্ৰজাৱলীৰ ভাষাটো মিথিলাৰ পৰা অনা এটি কৃত্ৰিম ভাষা বুলি মানি লোৱা নাই। তেওঁৰ মতে ইয়াৰ ভিত্তি হৈছে চৰ্যাপদৰ ভাষাই প্ৰতিনিধিত্ব কৰা পূৰ্ব প্ৰচলিত সাহিত্যিক ভাষাটোৰ ৰূপটোহে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ শঙ্কৰদেৱে অঙ্কীয়া নাটত কি ভাষা ব্যৱহাৰ কৰিছিল? বুজাই লিখক। [150টা শব্দৰ ভিতৰত)

শঙ্কৰদেৱৰ অঙ্কীয়া নাটত ব্যৱহৃত ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্য কেইটিমান তলত দিয়া ধৰণে দেখুৱাব পাৰি—

ক) **সংস্কৃতৰ প্ৰভাৱ ঃ** শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহ সংস্কৃত নাটকৰ আৰ্হি-আদৰ্শত ৰচিত হোৱা কাৰণে ইয়াৰ সৰ্বত্ৰতে সংস্কৃতৰ প্ৰভাৱ পৰিলক্ষিত হয়। নান্দী শ্লোককে ধৰি প্ৰায়বোৰ শ্লোকেই সংস্কৃত ভাষাত ৰচিত। ইয়াৰ উপৰি অসমীয়া ভাষা ৰূপৰ সাদৃশ্য বহন কৰা নাটকীয় গদ্যতো বহুলাংশে সংস্কৃত বাক্য আৰু তৎসম শব্দৰ অবাৰিত প্ৰয়োগ দেখা যায়। মহেশ্বৰ নেওগে শব্দাৱলী, বাক্য আৰু খণ্ডবাক্যৰ ওপৰতো সংস্কৃতৰ প্ৰভাৱ যথেষ্ট আছে বুলি উল্লেখ কৰিছে। এনে প্ৰভাৱৰ উদাহৰণ নাট্য-নিৰ্দেশনাসমূহত অধিক, যেনে— 'আকাশে কৰ্ণ দত্বা সঙ্গীত বোল', 'ইতি সংগী নিষ্ক্ৰান্ত', 'তদন্তৰম', 'অপিচ', 'পুনঃ', 'সূত্ৰধাৰঃ' ইত্যাদি।

খ) **সুৰৰ প্ৰাধান্য ঃ** অঙ্কীয়া নাট প্ৰধানকৈ গীতিকাব্য, অপেৰাৰ আৰ্হিৰ, সেয়ে ইয়াত সুৰৰ পয়োভৰ লক্ষ্য কৰা যায়। গীতাংশ আৰু কাব্যাংশক বাদ দিলে ইয়াৰ অভিনায়িক দৃশ্যাংশৰ সংলাপতো সুৰৰ সমাবেশ ঘটা পৰিলক্ষিত হয়। সূত্ৰধাৰ আৰু আন আন পাত্ৰ-পাত্ৰী ভাৱৰীয়াসকলেও তেওঁলোকৰ বচন সুৰীয়াকৈ পৰিৱেশন কৰে। বচনৰ ক্ষেত্ৰত কঠিন শব্দবোৰ ভাঙি, স্বৰভক্তিৰ সহায়ত কোমল আৰু শুৱলা কৰিবলৈ যত্ন কৰা হৈছে, ফলস্বৰূপে গদ্যৰ মাজতো এটা সুৰৰ প্ৰবাহ ঘটিছে।

গ) **পদ্যধৰ্মিতা ঃ** অঙ্কীয়া নাটৰ গদ্য স্বভাৱতে গদ্য-পদ্যধৰ্মী হৈছে। মহেশ্বৰ নেওগৰ মতেও এই গদ্যক প্ৰকৃত গদ্য আখ্যা দিব নোৱাৰি। সি ছন্দযুক্ত কাব্যভাষাৰ এক অগ্ৰৰূপ মাথোন। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে ভালেমান ক্ষেত্ৰত নাটত ব্যৱহাৰ কৰা কথাভাগ পূৰ্বকৃত পদৰচনাৰ অনুবাদ হোৱা হেতুকে ই পদ্যধৰ্মী হৈ পৰিছে। আনহাতে অনুপ্ৰাস আদি শব্দালংকাৰ বহুল প্ৰয়োগে ভাৱৰীয়াৰ বচন আৰু কথাংশক লয়যুক্ত বৃত্তগন্ধী গদ্যলৈ পৰ্যবসিত কৰিছে। উদাহৰণস্বৰূপে 'কালি দমন' নাটৰ তলৰ কথাখিনি উল্লেখ কৰা হ'ল— "জগতক পৰম গুৰু পৰম পুৰুষ পুৰুষোত্তম সনাতন ব্ৰহ্ম মহেশ সেৱিত চৰণ পঙ্কজ নাৰায়ণ শ্ৰীকৃষ্ণ ঃ আপদ ঔষধি পাই সৰ্প দৰ্প ভেল।"

ঘ) **বাক্যবিন্যাস পদ্ধতি ঃ** আপুনি পূৰ্বতে পাই আহিছে, যিকোনো ৰচনাই বিশেষ গদ্যৰীতিক অনুসৰণ কৰিবলৈ হ'লে প্ৰকৃত বাক্য-বিন্যাস-ৰীতিৰ নিয়মৰ মাজেদি গঢ় লৈ উঠিব লাগে। লগতে এই কথাও পাইছে যে, অসমীয়া গদ্যৰ বাক্যত কৰ্তা-কৰ্ম আৰু ক্ৰিয়াপদৰ ব্যৱহাৰৰ সুনিৰ্দিষ্ট প্ৰকৰণ আছে। শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ গদ্যত ঠায়ে ঠায়ে এনে বাক্যৰীতি মানি চলা গদ্যৰ প্ৰয়োগ দেখা যায়। উদাহৰণ— "ঐচন মধুৰ মুৰুতি শ্ৰীকৃষ্ণ স্বৰ্গবাসিক মন মোহি কৌতুক চলল।" (পাৰিজাত হৰণ)"ভিষ্মক মুখে তব গুণ ৰূপ শুনিয়ে কায়বাক্যমনে তোহাক পতিভাবে বৰইছি।" (ৰুক্মিণী হৰণ) অৱশ্যে ঠায়ে ঠায়ে এনে উপযুক্ত বাক্যৰ মাজতো শব্দৰ পুনৰুক্তিত, সমাস-সংযোজিত দীঘল শব্দৰাশিৰ প্ৰয়োগে আকৌ এনে নিয়ম ভঙ্গও কৰিছে।

ঙ) **ঘৰুৱা কথ্যৰীতিৰ ব্যৱহাৰ ঃ** শঙ্কৰদেৱৰ পদ ৰচনাত জতুৱা গঢ়ৰ প্ৰাচুৰ্য অধিক, নাটকীয় গদ্যত তেনে ধৰণৰ সমানুপাতিক জতুৱা প্ৰয়োগ নাথাকিলেও সংস্কৃতীয়া আৰেশৰ মাজতোজতুৱা ঠাঁচ বিৰিঙি উঠাটো লক্ষ্যণীয়। ই নিভাঁজ অসমীয়া ভাষাৰ চানেকি নহয়, তৎসত্ত্বেও শঙ্কৰদেৱৰ কুশলহস্তৰ বাবে সংস্কৃত ভাৰাক্ৰান্ত অঙ্কীয়া গদ্যই কথ্য ভঙ্গিমাৰ ৰূপ পৰিগ্ৰহ কৰিছে। এই সন্দৰ্ভত বিৰিঞ্চি কুমাৰ বৰুৱাৰ উদাহৰণসহ এনেধৰণৰ— "অঙ্কীয়া নাটৰ গদ্যত কথ্য ভাষাৰীতিৰো পৰিচয় আছে। কথা ভঙ্গিমাৰ লগত ৰজিতা খুৱাই সাধাৰণ প্ৰচলিত শব্দ, খণ্ডবাক্য, উপমা, আদি অলঙ্কাৰ ব্যৱহাৰ কৰা হৈছে।" ঘৰুৱা অসমীয়া উপমাৰ চানেকি স্বৰূপে কেইটিমান তুলি দিয়াহ'ল—"কাচক চাহিতে মানি হৰায়; ঘৈচে কলস ভাগল; কদলিক বাতে উপাৰল (ৰুক্মিণীহৰণ); যৈচে শিশিৰ পৰি পদ্ম সঙ্কোচিত ভেল; যৈচন বনাগ্নি বৃষ্টি জলে নিৰ্বাণ ভেল (কালিদমন); যৈচে সিংহক আগু বালক হৰিণ।" (ৰাম বিজয়)

ওপৰত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ উপৰি বৰুৱাই ব্ৰজাৱলী আৰ্হিৰ অসমীয়া নাটৰ গদ্যত প্ৰাকৃতৰ চাব পৰা বুলি উল্লেখ কৰিছে। বিভক্তি আৰু কাৰকৰ ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া ব্যাকৰণ সূত্ৰৰ অনুসৰণ এই গদ্যৰ মন কৰিবলগীয়া দিশ। সৰ্বনামৰ বিভক্তিযুক্ত আৰু বিভক্তিহীন দুয়োটা ৰূপেই আছে, ঠিক তেনেদৰে ধাতুৰ মৌলিক আৰু যৌগিক উভয় ৰূপেই বাক্যসমূহত ক্ৰিয়াশীল হৈ থকা দেখা যায়।

অঙ্কীয়া নাটৰ গদ্যই অসমীয়া গদ্য-সাহিত্যৰ এটি দীঘল পৰিক্ৰমাক সামৰে। শঙ্কৰদেৱৰ অঙ্কীয়া নাটত গদ্যৰীতি মাধৱদেৱৰ নাটতো বিদ্যমান; অৱশ্যে মাধৱদেৱৰ গদ্যই কিঞ্চিৎ ফালৰি কাটি আহি বেছি ঘৰুৱা ৰূপ পৰিগ্ৰহ কৰিছে। পিচৰ কালৰ যিসকল নাট্যকাৰে এই গদ্যৰীতিৰ প্ৰয়োগ কৰিছিল, তেওঁলোকে স্বাভাৱিকতা অক্ষুণ্ণ ৰাখিলেও ভালেমান ক্ষেত্ৰত শিথিলতা দেখুৱাইছিল। সি যি কি নহওক, যিসময়ত সাহিত্য চৰ্চাৰ মাধ্যম পদ ৰচনাতে মাত্ৰ সীমাবদ্ধ হৈ আছিল, সেই সময়তে কথা ৰূপক নাইকিয়া গদ্য ৰূপে ব্যৱহাৰ কৰি মহাপুৰুষজনাই একপ্ৰকাৰ অসাধ্য সাধন কৰিছিল। সেই অৰ্থতে অঙ্কীয়া নাটৰ গদ্যৰীতি অসমীয়া গদ্যৰ প্ৰথম আৰ্হিৰূপে পৰিগণিত হৈ ৰ'ব।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত অসমীয়াতে প্ৰথম পদ্যৰ ব্যৱহাৰ হৈছিল। বাংলা গদ্যতকৈও ই প্ৰাচীন, কাৰণ প্ৰাপ্ত তথ্যমতে প্ৰতিবেশী ৰাজ্যখনত 1681–82 খ্ৰীষ্টাব্দৰ ভিতৰতহে বৈষ্ণৱ সন্তসকলৰ 'কড়চা' পুথিৰ ৰচনাৰ মাধ্যম, গদ্যৰ প্ৰকাশ ঘটে। হিন্দী ভাষাৰ গদ্যৰূপ তাতকৈ আগৰ। কিন্তু তাৰো আগতেই অসমীয়া গদ্যই আত্মপ্ৰকাশ কৰি প্ৰথমতে মৌলিক স্তৰত, পিছলৈ লিখিত পৰম্পৰাত প্ৰবৰ্তিত হৈ থাকে।

স্বাভাৱিকতে অসমীয়া গদ্যৰ প্ৰথমাৱস্থাৰ নিদৰ্শন হোৱা কাৰণে ইবোৰত আজিৰ গদ্যৰ তুলনাত জুখিব পৰা পৰিশীলিত আৰু পৰিশুদ্ধ ৰূপ এটি পোৱা নাযায়। তৎসত্ত্বেও ভাব প্ৰকাশৰ মাধ্যম ৰূপে আৰু পিছলৈ লিখিত ৰূপে এই যুগৰ গদ্যই অসমীয়া ভাষাটোকে এক নিটোল ৰূপ দিবলৈ সমৰ্থ হৈছিল। ভট্টদেৱৰ গদ্যৰ মাজেদি এই ৰূপটিৰ যথাৰ্থ বিকাশ ঘটে আৰু পিছলৈ বুৰঞ্জীৰ গদ্য, ব্যৱহাৰিক পুথিৰ গদ্য, চৰিতপুথিৰ গদ্য বুলি নামাঙ্কিত কৰিব পৰা গদ্যৰ সুকীয়া সুকীয়া ৰূপৰ সৃষ্টি হয়। আপুনি এই অধ্যায়টিৰ অধ্যয়নৰ দ্বাৰা এইখিনি কথা অৱগত কৰাৰ অন্তত পৰৱৰ্তী অধ্যায়ত ভট্টদেৱী গদ্যৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আপুনি অসমীয়া গদ্য সম্বন্ধে এটি সাধাৰণ ধাৰণা ল'ব পাৰিলে। লগতে এই কথাও আপুনি জানিব পাৰিলে যে অসমীয়া গদ্যই আৰম্ভণিৰ ফালৰ পৰা বৰ্তমানলৈ কেইটিমান স্তৰ পৰিক্ৰমাৰ মাজেৰে আহি সাম্প্ৰতিক অৱস্থাপ্ৰাপ্ত হৈছে।
- অধ্যায়টিৰ প্ৰথম ভাগত থকা গদ্যৰ অৱধাৰণাৰে কৰা গদ্যৰ ব্যুৎপত্তিগত অৰ্থ, সংজ্ঞা, স্বৰূপ আৰু প্ৰকাৰভেদ সম্বন্ধে জানিব পাৰিলে।
- বহুতৰ মনত এনে ধাৰণা বদ্ধমূল হৈ আছে যে ভট্টদেৱৰ হাততহে প্ৰকৃত অসমীয়া গদ্যৰ শুভাৰম্ভণ হয়। আপোনাৰ অধ্যয়নৰ বাবে যুগুতোৱা পাঠটিত 'অসমীয়া গদ্য সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ' শিতানত এনে ধাৰণাৰে ৰচিত লোক-সাহিত্যৰ অন্তৰ্গত মন্ত্ৰ-সাহিত্যৰ কথাত অসমীয়া গদ্যৰ প্ৰথমাৱস্থাৰ নিদৰ্শন আছে বুলি প্ৰতিপন্ন কৰাৰ কথা আপুনি জানিব পাৰিলে।
- আপোনাৰ অধ্যয়নৰ বাবে যুগুতোৱা পাঠটিত মন্ত্ৰপুথিত গদ্যৰ বৈশিষ্ট্যসমূহৰ কথা উদাহৰণসহ উল্লেখ কৰা হৈছে।এই পাঠ্যাংশৰ পৰা আপুনি মন্ত্ৰপুথিৰ গদ্যৰ প্ৰকৃত ৰেহ-ৰূপৰ বিষয়েও জানিব পাৰিলে।
- আপোনাৰ অধ্যয়নৰ অন্তৰ্গত এই পাঠটিৰ দ্বিতীয় অংশত অঙ্কীয়া নাটৰ গদ্যৰ আলোচনা কৰোঁতে শঙ্কৰদেৱৰ সাহিত্য সৃষ্টিৰ অন্যতম বৰগীতত ব্যৱহাৰ কৰা ভাষাটিৰ বিষয়েও জানিব পাৰিলে।

- অধ্যায়টিত সংযোগ কৰি দিয়া ব্ৰজাৱলী ভাষাটিৰ বিষয়ে পণ্ডিতসকলৰ মাজত থকা ভিন্ ভিন্ মতবোৰৰ ভিত্তিত এই ভাষাৰ স্বকীয়তা সম্বন্ধে আপুনি জানিব পাৰিলে।
- অধ্যায়টিত থকা মন্ত্ৰসাহিত্যৰ গদ্যৰীতি আৰু অঙ্কীয়া নাটৰ গদ্য ৰীতিৰ ব্যৱধানত পাৰ্থক্যৰ বিষয়ে আপুনি অৱগত হ'ব পাৰিলে।লগতে এই কথাও আপুনিজানিব পাৰিলে যে মন্ত্ৰ-সাহিত্যৰ গদ্যৰ নিদৰ্শন থকা সত্ত্বেও শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ গদ্যত ইয়াৰ ধনিষ্ঠমানো প্ৰভাৱ নাই।
- অঙ্কীয়া নাটৰ গদ্যৰ স্বৰূপ সম্বন্ধেও আপুনি এই অধ্যায়টিৰ পৰা জানিব পাৰিলে। এই গদ্যৰ বৈশিষ্ট্যসমূহ কেনেদৰে নিৰ্বাচন কৰিব পাৰি আৰু তেনে বৈশিষ্ট্যৰ সাধাৰণ অসমীয়া গদ্যৰ পৰৱৰ্তী ধাৰাৰ বিকাশ কেনেদৰে হ'ল সেই বিষয়েও ধাৰণা কৰিব পাৰিলে।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কটকী, প্ৰফুল্ল (1999) ঃ *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

2] কোঁৱৰ, অৰ্পণা [2004] ঃ *প্ৰাচীন অসমীয়া গদ্যশৈলী*; ডিব্ৰুগড় ঃ বনলতা।

3] নেওগ, ডিম্বেশ্বৰ [1957] ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী ঃ শুৱনী প্ৰকাশ।

4] নেওগ, মহেশ্বৰ [1960] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

5] ফুকন পাটগিৰি, দীপ্তি (1997] ঃ *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙণি* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ বনলতা।

6] বৰুৱা, বিৰিঞ্চি কুমাৰ (1997] ঃ *অসমীয়া কথা সাহিত্য*; নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

7] বৰুৱা, বিৰিঞ্চি কুমাৰ (1985] ঃ *অসমীয়া ভাষা আৰু সংস্কৃতি* (পঞ্চম সংস্কৰণ); নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

8] ভূঞা, স্মৃতিৰেখা (2012] ঃ *অসমীয়া গদ্যৰীতি* (*জোনাকীৰ* পৰা *ৰামধেনুলৈ*); গুৱাহাটী ঃ আঁক-বাক।

9] শৰ্মা, সত্যেন্দ্ৰনাথ (2016] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

10] শৰ্মা, সত্যেন্দ্ৰনাথ (2062] ঃ *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

11] শৰ্মাদলৈ, হৰিনাথ (2013] ঃ *অসমীয়া গদ্যসাহিত্যৰ গতিপথ*; নলবাৰী ঃ পদ্মাপ্ৰিয়া লাইব্ৰেৰী।

অন্যান্য প্ৰাসঙ্গিক গ্ৰন্থ ঃ

12] মেধি, কালিৰাম (সম্পা.) [1950] ঃ *অঙ্কাৱলী*; গুৱাহাটী।

13] বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পা.) [1954] ঃ *অঙ্কীয়া নাট*; গুৱাহাটী।

14] বিশ্বনাথ কবিৰাজ [1867 শক) ঃ *সাহিত্য দৰ্শন*; কলকাতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Boulton, Marjorie : *The Anatomy of Prose*; New Delhi: Kalyani Publishers.
2) Chatterji, S. N. (1955) : *In Place of Assam in the History and Civilisation of Assam*; Gauhati, Assam.
3) Hudson, W. H. (1988) : *An Introduction to the Study of Literature*; Ludhiana: Kalyani Publishers.
4) Read, Herbert (1988) : *English Prose Style*; New Delhi: Kalyani Publishers.



১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ গদ্য শব্দৰ ব্যুৎপত্তি সংস্কৃত গদ্ ধাতুৰ পৰা... ইয়াৰ অৰ্থ 'কথা কোৱা', 'উক্তি কৰা'... সংজ্ঞাগত ধাৰণাইহে ব্যুৎপত্তি বেছি স্পষ্টকৈ বুজায়... সাধাৰণ অৰ্থত ই ছন্দবিহীন ৰচনা। গদ্যক শ্ৰেণীগতভাৱে ভাগ কৰিব পাৰি... এনে ধাৰণা প্ৰাচ্য-পাশ্চাত্য উভয়তে হৈছে। এই বিষয়ে লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ মন্ত্ৰৰ উৎপত্তি আৰু মন্ত্ৰ সাহিত্যৰ উদ্ভৱকাল নিশ্চিতভাৱে কোৱা টান।... সি দৰাচলতে কাল নিৰপেক্ষ... অসমীয়া মন্ত্ৰসাহিত্যৰ প্ৰচলন প্ৰাকশঙ্কৰী কালৰে পৰা হৈ আছিল... পিছলৈ ইয়াৰ প্ৰয়োগ কমি আহিবলৈ ধৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কৰতী মন্ত্ৰ, বীৰাজৰামন্ত্ৰ, সাপৰ ধাৰণী মন্ত্ৰ... মন্ত্ৰৰ নাম ইয়াৰ ধাৰক-বাহকসকলে ইয়াৰ প্ৰয়োগ বিধিৰ ওপৰত দৃষ্টি দি ৰাখে... ...যেনে— কাৰোবাক মোহিনী মাৰিবলৈ মোহিনী মন্ত্ৰ প্ৰয়োগ কৰা হয়... ...এনে ধৰণৰ আলোচনা কৰিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ মন্ত্ৰপুথিসমূহ অজ্ঞাত কবিৰ সৃষ্টি।... ...নিতান্তই ব্যৱহাৰিক প্ৰয়োগৰ কাৰণে ৰচনা কৰা এইবিধ সাহিত্যত গদ্য-পত্যৰ শিথিল ৰূপ দেখা যায়।... ...গদ্যধৰ্মী বাক্যাংশতো সুৰ আৰু পদ্যৰ সমল থাকে... ...আনহাতে, পদ্যাশ্ৰয়ী মন্ত্ৰাংশতো গদ্যৰ আভাস পৰিলক্ষিত হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অঙ্কীয়া নাট আৰু ৰৰগীত মহাপুৰুষ দুজনাৰ অনুপম সৃষ্টি... ...নামধৰ্ম প্ৰচাৰাৰ্থে প্ৰচলন কৰা এই দুয়োবিধ পৰিৱেশ্য কলা, অসমৰ শিষ্ট সংস্কৃতিৰ দুবিধ অমল সম্পদ... ...ব্ৰজাৱলীৰ প্ৰয়োগ... ...নাটসমূহত সংস্কৃত, অসমীয়া আৰু ব্ৰজাৱলীৰ সমাহাৰ... ...কৃষ্ণতত্ত্ব প্ৰকাশ... ...গেয় আৰু নাট্যপদ্ধতিৰ পৰম্পৰাৰ শুভ আৰম্ভণি এই দুয়োবিধ কলাৰূপৰ জৰিয়তে ঘটে। এই বিষয়ে আলোচনা কৰিব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত, প্ৰাচীন অসমীয়া আৰু ব্ৰজাৱলী... ...ত্ৰিভাষাৰ সমাহাৰ ঘটাৰ কথা উল্লেখ কৰিব লাগিব। শ্লোকসমূহ ঘাইকৈ সংস্কৃতত... ...নাটকীয়া পদ-পয়াৰ অসমীয়াত আৰু সংলাপ ব্ৰজাৱলী ভাষাত।



১.৮ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ গদ্য শব্দৰ অৰ্থ দিবলৈ যত্ন কৰক। গদ্যৰ সংজ্ঞা সম্বন্ধে প্ৰাচ্য আৰু পাশ্চাত্যৰ পণ্ডিতসকলে দিয়া ধাৰণাসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন ২ ঃ 'অসমীয়া গদ্য' এই বিষয়ে এটি চমু টোকা লিখক। অসমীয়া গদ্যৰ সামগ্ৰিক পৰিক্ৰমাটোৰ স্তৰ বিভাজন কেনেদৰে কৰিব পাৰি উল্লেখ কৰি প্ৰত্যেকটোৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ গদ্য আৰু পদ্যৰ মাজত থকা লক্ষণগত পাৰ্থক্যসমূহ ফঁহিয়াই দেখুৱাওক। প্ৰকৃত গদ্যৰ বৈশিষ্ট্যসমূহ কি কি, আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ গদ্যৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

প্ৰশ্ন ৫ ঃ অসমীয়া গদ্যৰ প্ৰকৃত আৰম্ভণি কেতিয়া হৈছিল বুলি আপুনি ভাবে? উপযুক্ত যুক্তিৰে আপোনাৰ মত প্ৰদৰ্শন কৰক।

প্ৰশ্ন ৬ ঃ 'অসমৰ মন্ত্ৰ সাহিত্য' —এই শিতানত এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৭ ঃ অঙ্কীয়া নাট বুলিলে কি বুজে? অঙ্কীয়া নাটৰ ভাষা প্ৰয়োগ ৰীতি সম্বন্ধে এটি আলচ দাঙি ধৰক।

প্ৰশ্ন ৮ ঃ শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ কলা-কৌশল সম্বন্ধে এখনি ৰচনা লিখক।

প্ৰশ্ন ৯ ঃ ব্ৰজাৱলী ভাষাৰ উৎপত্তিক লৈ পণ্ডিতসকলৰ মাজত থকা মতবোৰ বিশ্লেষণ কৰক।

প্ৰশ্ন ১০ ঃ ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্যসমূহ কি কি বিচাৰ-বিশ্লেষণ কৰক।

প্ৰশ্ন ১১ ঃ অসমীয়া গদ্যৰ প্ৰাৰম্ভিক স্বৰূপ নিৰ্ণয়ত মন্ত্ৰ পুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ এটি তুলনামূলক পৰ্যালোচনা দাঙি ধৰক।

প্ৰশ্ন ১২ ঃ 'শঙ্কৰদেৱী গদ্যক প্ৰকৃততে গদ্য বুলি ক'ব নোৱাৰি'— মহেশ্বৰ নেওগৰ এই উক্তিৰ সপক্ষে অথবা বিপক্ষে আপোনাৰ মত দৰ্শাওক।

প্ৰশ্ন ১৩ ঃ মন্ত্ৰপুথিত গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ১৪ ঃ 'অসমীয়াৰ গৌৰৱৰ বিষয়ে যেআধুনিক ভাৰতীয় আৰ্য্য ভাষাসমূহৰ ভিতৰত অসমীয়াতে প্ৰথম গদ্য সাহিত্যৰ সৃষ্টি হৈছিল— সংশ্লিষ্ট পাঠৰ আধাৰত উক্তিটোৰ সত্যতা প্ৰমাণ কৰক।

*** **** ***